# ঘৰবিলাকত সঘনাই যীচুৱে পৰিদৰ্শন কৰিছিল

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন V2b পঢ়ক।

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, আপুনি আমাৰ মাজত থাকিবলৈ আৰু আমাৰ ঘৰবিলাক পৰিদৰ্শন কৰিবলৈ আহিছিল। এইদৰে আমালৈ আপোনাৰ প্ৰেম প্ৰদৰ্শন কৰিলে, আৰু আমালৈ পৰিত্ৰাণ আনিলো। অনেক লোকবিলাকে আপোনাক চিনি নাপালে অথবা গ্ৰহণ নকৰিলে। আপুনি কোন তাক জানিবলৈ আমাৰ চকু মুকলি কৰা বাবে আপোনাক ধন্যবাদ। আপোনাৰ প্ৰয়োজন থকা লোকবিলাকলৈ আপোনাৰ শুভবাৰ্তাও নিয়াত আমাক সহায় কৰক।"

১। **প্ৰাৰ্থনা আৰু যীচুৰ উদাহৰণেৰে আপোনাৰ মন যুগুত কৰক।**

**চাওক; লূক ১৯ঃ১-১০** চক্কেয় আৰু তেওঁৰ পৰিয়াললৈ পৰিত্ৰাণ কেনেকৈ আহিল। *(উত্তৰবোৰ চাওক)*

- যীচু আৰু তেওঁৰ শিক্ষালৈ চাক্কেয়ই কিদৰে তেওঁৰ ধাউতি দেখুৱাইছিল?
  *(৩ পদ)*
- চক্কেয়লৈ তেওঁৰ প্ৰেম আৰু ক্ষমাদান কিদৰে যীচুৱে প্ৰদৰ্শন কৰিলে?
  *(৫ পদ)*
- যীচুৱে চক্কেয়ক কোৱা কথাবোৰত কিয় আটাই লোকবিলাকে আচৰিত মানিলে?
  *(৭ পদ)*
- চক্কেয়ই কিদৰে তেওঁৰ অনুতাপ আৰু কৃতজ্ঞতা দেখুৱালে?
  *(৮ পদ)*
- তেওঁৰ ঘৰলৈ যাবলৈ কিয় যীচুৱে চক্কেয়ক ক'লে?
  *(১০ পদ)*

**চাওক, পাঁচনিৰ কৰ্ম্ম** ১০ অধ্যায়ত, কৰ্ণীলিয়, তেওঁৰ পৰিয়াল আৰু তেওঁৰ অনেক বন্ধুবিলাকলৈ কিদৰে পৰিত্ৰাণ আহিল?

- যিহুদী ৰীতি-নীতি পালন নকৰা লোকবিলাকক পৰিদৰ্শন কৰিবলৈ পিতৰক ঈশ্বৰে কিদৰে প্ৰস্তুত কৰিলে?
  *(৯-১৬ পদ)*
- কৰ্ণীলিয়ৰ ঘৰলৈ যাওঁতে পিতৰৰ লগত কোন গৈছিল?
  *(২৩ পদ)*
- কৰ্ণীলিয়ৰ ঘৰত পিতৰৰ বাবে কোনে ৰৈ আছিল?
  *(২০ পদ)*
- তেওঁৰ শিক্ষা দিয়াৰ আগেয়ে পিতৰে কি কৰিলে?
  *(২৯ পদ)*
- যীচুৰ বিষয়ে কি কথাবোৰ পিতৰে কৈছিল?
  *(৩৮-৪৩ পদ)*
- কিমান সোনকালে কৰ্ণীলিয়, তেওঁৰ বন্ধু আৰু পৰিয়ালক বাপ্তাইজিত কৰা হৈছিল?
  *(৪৭-৪৮ পদ)*
- নতুন বিশ্বাসীবিলাকক বাপ্তিস্ম দিয়া পিছত পিতৰ আৰু তেওঁৰ যাফোৰ সহায়কাৰী বন্ধুসকলে কি কৰিলে?
  *(৪৮ পদ)*

**চাওক, পাঁচনিৰ কৰ্ম্ম** ৯ঃ৩২-৪৩ ঘৰবোৰ পৰিদৰ্শন কৰাৰ আন উদ্দেশ্য ঃ

২। **সপ্তাহটো কৰিবলগীয়া কামৰ আঁচনি সহকৰ্মীসকলৰ লগত কৰক।**

মণ্ডলীৰ লোকবিলাকক পৰিদৰ্শন কৰাৰ আঁচনি তৈয়াৰ কৰক। আনলোকক লগত নিব, যাতে আপোনাৰ উদাহৰণৰ পৰা তেওঁলোকে শিকিব পাৰে। মণ্ডলীৰ সভ্য/সভ্যাসকলক লৈ সংগঠন কৰক যাতে যেন সকলো পৰিয়ালবিলাকে মণ্ডলীৰ আনলোকক নিয়মীয়াকৈ পৰিদৰ্শন কৰিব পাৰে।




ৰোগত আৰু সমস্যাত পৰাসকলৰ বাবে প্ৰাৰ্থনা কৰিবলৈ পৰিদৰ্শন কৰাৰ আঁচনি কৰক।

আনকো আপোনাৰ লগত নিব, অথবা তেওঁলোকৰ বন্ধুবৰ্গ আৰু পৰিয়ালক চাবলৈ যাওঁতে লগত যাব, যাতে যেন আপোনাৰ দৃষ্টান্তৰ পৰা তেওঁবিলাকে শিকে। যীচুৱে তেওঁলোকৰ কাৰণে তেওঁ কি কৰিলে, সেই বিষয়ে নতুন খ্ৰীষ্টিয়ানসকলক সাক্ষ্য প্ৰস্তুত কৰাত সহায় কৰক। যাতে বন্ধু আৰু পৰিয়ালবিলাকক তেওঁলোকৰ সাক্ষ্য দিব পাৰে।

৩। **সহকৰ্ম্মী সকলৰ লগত হবলগীয়া উপাসনাৰ আঁচনি কৰক।**

বৰ্তমানৰ প্ৰয়োজন আৰু স্থানীয় ৰীতি নিয়মৰ খাপ খুওৱা কামবোৰ বাচি লওক।

কৰ্ণীলিয়ৰ ঘৰলৈ পিতৰ আৰু তেওঁৰ দলে শুভবাৰ্তা নিয়াৰ কাহিনীটো কওক অথবা নাটক কৰক।

১ ভাগত পোৱা বিষয়বোৰৰ প্ৰশ্ন সোধক।

**ব্যাখা ঃ**

- পৰস্পৰে উৎসাহিত আৰু প্ৰাৰ্থনা কৰিবলৈ আমি ঘৰবিলাক পৰিদৰ্শন কৰা উচিত।
- আমি সধাৰণতে অকলশৰীয়াকৈ নহয় কিন্তু দুজন বা দলগত হিচাপে যোৱা উচিত।
- মানুহক কথা ক'বলৈ সুবিধা নিদিবলৈ, এজন পুৰুষে অকলশৰে এগৰাকী মহিলাৰ তালৈ যোৱা উচিত নহয়

লোকবিলাকক উৎসাহিত কৰিবলৈ আৰু ৰুগীয়াৰ বাবে প্ৰাৰ্থনা কৰিবলৈ পিতৰে আন বিশ্বাসীসকলক পৰিদৰ্শন কৰিছিল। খ্ৰীষ্টত থকা এগৰাকী ভনীক মৃত্যুৰ পৰা তুলিবলৈ ঈশ্বৰে তেওঁক ব্যৱহাৰ কৰিলে।

পিতৰে কৰ্ণীলিয়ৰ ঘৰলৈ যোৱাৰ দৰে, খ্ৰীষ্টক নজনা লোকৰ ঘৰলৈ আমি যোৱা উচিত। যীচুৰ বিষয়ে এক সৰল বাৰ্তা পিতেৰে কৰ্ণীলিয়ক দিছিল। যীচুৰ নজনা লোকবিলাকৰ ঘৰলৈ যাওঁতে এই একে বাৰ্তাকে আমি ব্যৱহাৰ কৰিব পাৰোঁ।

পিতৰে যীচু বিষয়ে কোৱা কেইটিমান লাগতিয়াল কথা তলত দিয়া হ'ল ঃ

(ক) সকলো মানুহে তেওঁক জনা আৰু ৰক্ষা পোৱা ঈশ্বৰে ইচ্ছা কৰে (৩৪-৩৬ পদ)

(খ) যীচুক পবিত্ৰ আত্মাৰে ঈশ্বৰে অভিষেক কৰিছিল আৰু সৎকৰ্ম কৰিবলৈ আৰু ৰোগীক আৰু চয়তানৰ দ্বাৰাই তাড়না পোৱা বিলাকক সুস্থ কৰিবলৈ ক্ষমতা দিছিল। (৩৭-৩৮ পদ)

(গ) পুনৰুত্থান পিছত, যীচুৰ মৃত্যু, তেওঁক মৈদামত থোৱা আৰু তেওঁ দৰ্শন দিয়া বিষয়ে লোকবিলাকে সাক্ষ্য দিছিল (৩৯-৪১ পদ)

(ঘ) হাজাৰ হাজাৰ বছৰৰ আগেয়ে ভাববাদীসকলে প্ৰতিজ্ঞা কৰাৰ দৰে, তেওঁৰ নামত যীচুৱে আমাক পাপ ক্ষমা দিয়ে (৪৩ পদ)

(ঙ) এই শুভবাৰ্তা সকলোৰে লগত ভগাই ল'বলৈ যীচুৱে আমাক আজ্ঞা দিছে। (৪২ পদ)

**পঢ়ক, ১ পিতৰ** ৪ঃ৮-৯। বৰ্ণনা কৰক যে, অতিথি সেৱা কৰাসকলক ঈশ্বৰে আশীৰ্বাদ কৰে।



প্ৰভুৰ ভোজ স্থাপন কৰিবলৈ লূক ৭ঃ৩৬-৫০ পদ পঢ়ক। চকুৰ পানীৰে পাতকী তিৰোতা জনীয়ে যীচুৰ ভৰি ধুওৱা বিষয়ে ইয়াতে লিখা আছে। বৰ্ণনা কৰক যে, আমি যীচুৰ গুৰিলৈ আহিলে, পবিত্ৰ আত্মাই আমাক আমাৰ পাপৰ দোষাৰোপ কৰে। আমাৰ পাপ স্বীকাৰ কৰিবলৈ আমি সময় লোৱা উচিত আৰু ঈশ্বৰৰ ক্ষমাদান কিমান মহৎ সেই কথা সোঁৱৰণ কৰা উচিত। আমাৰ পাপবোৰৰ বিষয়ে আমি যিমানে অনুভৱ কৰোঁ, সিমানে অধিককৈ কৃতজ্ঞতা আৰু প্ৰেমেৰে আমি তেওঁৰ মহান দয়া গম পাওঁ।

ল'ৰা-ছোৱালীয়ে প্ৰস্তুত কৰা নাট, পদ্য আৰু প্ৰশ্নবোৰ পৰিৱেশন কৰিবলৈ দিয়ক।

বিশ্বাসীসকলক সাক্ষ্য অথবা ৰিপোৰ্ট দিবলৈ কওক কেনেকৈ তেওঁলোকৰ ঘৰবোৰত আনক পৰিচৰ্য্যা কৰাত আৰু আন বিশ্বাসীসকলৰ শুশ্ৰূষা কৰোঁতে ঈশ্বৰে কিদৰে তেওঁলোকক আশীৰ্বাদ কৰিছে।

প্ৰাৰ্থনা আৰু ইজনে সিজনক পৰামৰ্শ দিবলৈ দুই বা তিনিজনীয়া দল গঠন কৰক আৰু পৰস্পৰৰ ঘৰ পৰিদৰ্শন কৰাৰ আৰু বিশ্বাস নকৰা বিলাকৰ ঘৰবোৰলৈ যোৱা আঁচনি ঠিক কৰক।

একেলগে মুখস্থ কৰক, যোহন ১ঃ১৪ পদ।

Copyright 2003 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.